দিনাংক- ২৯ এপ্ৰিল ২০১৪

**অভিযানসূচী- ২৯ এপ্ৰিল ২০১৪**

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

৩০ এপ্ৰিল ২০১৪ তাৰিখে ভোটদানৰ বৰে প্ৰচাৰ অভিযান যোৱাকালি সমাপ্ত হয় । অমৃতস্বৰত মোৰো প্ৰচাৰ অভিযানৰ অন্ত পৰে । মোৰ প্ৰাৰ্থীত্বৰ ঘোষণা কৰাৰ পৰা আজিলৈকে মুঠ সাত সপ্তহ ধৰি প্ৰচাৰ অভিযান কৰিলো । ইমান দীঘলীয়া অভিযান বহুতৰ বাবে প্ৰত্যাহ্ৱান হৈ পৰিছে । এজন প্ৰাৰ্থীয়ে কৰ্মত সহযোগিতাৰ লগত ভাল নিৰ্বাচনী সজুলিৰ ওপৰিও এনে লোকক বিচাৰে যি প্ৰচাৰ অভিযানৰ জড়িয়তে জনসাধাৰণক আকৃষ্ট কৰিব পাৰে । সাত সপ্তাহৰ পাছত পুনঃ এনে অভিযানে জনসাধাৰণৰ মনোভাৱ হ্ৰাস কৰিব পাৰে ।

আধুনিক ব্যৱস্থাৰে কৰা প্ৰচাৰ অভিযানে ভাল ফলাফল দেখুৱাইছে । প্ৰত্যেক দিনা ৰাতিপুৱা মোৰ ব্ল’গ প্ৰচাৰ অভিযানৰ এক অংশ আছিল । ইয়াৰ জড়িয়তে অমৃতস্বৰৰ লাখ লাখ লোকৰ সৈতে মোৰ সংযোগ হৈছিল । ফেচবুকত মোক ফ’ল’ কৰাৰ মাজত বহুত লোকৰ মোৰ সৈতে সংযোগ আছিল । প্ৰত্যেক দিনাই মই দহ পোন্ধৰ বাৰ অনুষ্ঠান সম্বোধন কৰিছিলো । গণমান্য ব্যক্তিৰ ঘৰত অনুষ্ঠানৰ জড়িয়তে বহুতো লোকৰ সৈতে কথা পাতিছিলো । গাওঁ অঞ্চলত আকালি দলৰ সংগঠন বহুত শক্তিশালী দেখা গ’ল ।

মোৰ প্ৰচাৰ অভিযানৰ সময়ত বহুত বাৰ কংগ্ৰেছ দলৰ প্ৰচাৰ অভিযানৰ সন্মূখীন হৈছিলো য’ত মই তেওঁলোকৰ প্ৰচাৰ অভিযানত দূৰদৰ্শিতা দেখা নাপালো । কেপ্তেইন চাহাবে কঠোৰ আৰু উশৃংখল ভাষাৰ ব্যৱহাৰ কৰি যি দ্বৰে আকালি দলক যুজঁ দিছিল ঠিক তেনেদৰে মোৰ লগতো যুজঁ  দিব বিচাৰিছিল । তেওঁ বেলেগ ধৰণৰ অভিযান চলাই গৈছিল । মোৰ প্ৰচাৰ অভিযানত ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ লগতে অমৃতস্বৰ চহৰৰ লগত জড়িত বিষয়সমূহ আছিল । এনে সকলো বিষয় উত্থাপন কৰিব’লৈ মই সক্ষম হৈছিলো । ইয়াৰ বিপৰীতে কেপ্তেইন চাহেবে কৌশলৰ ৰাজানীতি কৰি মোক যুজঁ দিব বিচাৰিছিল ।

**প্ৰচাৰ অভিযান কেনেকৈ উৎ পন্ন কৰিব পাৰি ?**

**শেষ দুটা পৰ্য্যায়ৰ নিৰ্বাচনৰ বাবে কংগ্ৰেছ দলৰ প্ৰচাৰ অভিযান কিতাপৰ পৰা শিক্ষা লাভ কৰাৰ দ্বৰে দেখা গৈছে । কংগ্ৰেছী নেতাৰ ভাষণ লিখা লোকে ভাৱিছিল যে ৰাজ্যৰ বাবে কেন্দ্ৰীয় সাহাৰ্য্য ৰাইট টু ইনফৰ্মেচন এক্ট, খাদ্য সুৰক্ষা আচঁনি, ভূমি বিল ইত্যাদি প্ৰচাৰ অভিযানৰ মূল বিষয় হ’ব । তেওঁলোকে জনপ্ৰিয় বিষয়সমূহ পাৰি থাকিলে । ডিচেম্বৰ ২০১৩ মাহত ৪ খন বিধানসভা নিৰ্বাচনী**

ফলাফল ঘোষণা হওঁতে সমগ্ৰ ৰাষ্ট্ৰই গম পাই গৈছিল যে কংগ্ৰেছ পতনৰ পথত । কংগ্ৰেছ শাসনৰ দূৰ্নীতি আৰু ভ্ৰষ্টাচাৰ এনে ফলাফলৰ বাবে দায়ী আছিল ।

যদিও শ্ৰীযুত নৰেন্দ্ৰ মোদীয়ে সকলোৰে মনোযোগ আকৃষ্ট কৰাত সক্ষম হৈছে, কংগ্ৰেছ দলে ভাৱিছিল যে চিদাম্বৰম, চিব্বল, তীৱাৰী, জয়ৰাম ৰমেশ, আনন্দ শৰ্মা আৰু বেনী প্ৰসাদে কঠোৰ আৰু অপ্ৰিয় ভাষাৰ প্ৰয়োগৰ দ্বাৰা মোদীৰ উপলব্ধিক শেষ কৰি দিব । শেষত তেওঁলোক নিজেহে শেষ হৈ গ'ল । এই লোকৰ মাজত বহুতে নিৰ্বাচনীত প্ৰতিদ্বন্দিতাই নকৰিলে আৰু আন বহুতো নিজৰ সমষ্টিত তৃতীয় স্থানহে লাভ কৰাত সক্ষম হ'ব ।

জয়ৰাম আৰু চিব্বল কংগ্ৰেছৰ বাবে ভগৱানৰ বৰদান হিচাপে আছিল । তেতিয়া তেওঁলোকে নতুন প্ৰচাৰ অভিযানৰ পদ্ধতি উৎপন্ন কৰাৰ সিদ্ধান্ত লয় । তেওঁলোকে এনে প্ৰচাৰ অভিযানৰ বাবে নিজেই হাতচাপৰি বজাই নিজেই সন্তুষ্ট থাকিব'লৈ চেষ্টা কৰিছিল । ৰাহুল গান্ধী কেজৰিৱাল হ'ব বিচাৰিছিল । বিগত দহ বছৰ ধৰি কেন্দ্ৰীয় অনুসন্ধান বিভাগক অপব্যৱহাৰ কৰাৰ পাছত চিব্বলে অভিযোগ আনিছিল যে কেন্দ্ৰীয় অনুসন্ধান বিভাগে ইচ্চৰত জাহান গোচৰত নৰেন্দ্ৰ মোদীক কৰায়ত্ত কৰা নাছিল অথচ তেওঁৰ বিৰুদ্ধে কোনো তথ্যও নাছিল । সংবাদ মাধ্যমৰ নতুন মুখ চাৰজীৱালাই এনে এটা পৰিস্থিতিৰ  সৃষ্টি কৰিছিল য'ত বহুতো লোকে মোদীৰ লগত ফটো তুলা দেখুৱা হৈছিল । সেই অংগী-ভংগীয়ে ইয়াকেই বুজাব বিচাৰিছিল যে কংগ্ৰেছ দল নিৰ্বাচনত জয়লাভ কৰিছে । যেতিয়া একো প্ৰকাৰেই সফল নহ'ল তেতিয়া পুনঃ জাজুচী কাণ্ডৰ বিষয়ে ওলোৱা হৈছিল । কিন্তু যেতিয়া সকলো বিপথে পৰিচালিত হয়, তেতিয়া সকলো কামেই বেয়া হয়, সেইবাবে তেওঁলোকো সফল নহ'ল । বিষয়বিহীন অথবা সৃষ্টি কৰা পচাৰ অভিযানৰ ফলাফল এনেকুৱাই হয় । কংগ্ৰেছ দলে নিজৰ জনপ্ৰিয়তা কিনি থাকোতেই সকলো শেষ হৈ গ'ল ।